# অসম সাহিত্য সভাৰ

# আদৰণি গীত

চিৰ চেনেহী মোৰ ভাষা জননী।
ধন্যে পুন্যে হ'ত পাৱনী, আই ॥

প্ৰকৃতি পৰশ ৰসে অমল কমল
চঞ্চল হৃদি জলে ঢালে পৰিমল
কোমল চম্পাৰ কলি
টৌৱে টৌৱে টৌৱে তুলি
ৰিণিকি ৰিণিকি কোনে তোলে ৰাগিণী ॥

সংসাৰ গুৰুভাৰে অৱশ পৰাণ
হিয়াত বিলীন হয় হিয়াভৰা গান
কাৰ নিচুকণি শুনা
শুনি বাণী ব্যথা পমা
চকুতে চকুৰ নীৰে লয় জিৰণি ॥

জীৱনে মৰণে ৰণে লহৰী সুধাৰ
ৰসনা শিতানে বহি সিঁচা শতধাৰ
হে' মোৰ মধুৰনলা মাগিছোঁ মাধুৰী কণা
দিয়া দিয়া দিয়া আই মধু ভাষিণী ॥
===

গীতিকাৰঃ মিত্ৰদেৱ মহন্ত অধিকাৰ।
এই গীতৰ স্বৰলিপি যোৰহাটৰ শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মাৰ।
(এই গীত সাহিত্য সভাৰ সকলো অনুষ্ঠানৰ আৰম্ভণিতে গাব।
সভাৰ বাহিৰে অইন অনুষ্ঠানত এই গীত পৰিৱেশন কৰিব নোৱাৰিব)

# অসম জাতীয় সংগীত

অ' মোৰ আপোনাৰ দেশ
অ' মোৰ চিকুণি দেশ
এনেখন শুৱলা এনেখন সুফলা
এনেখন মৰমৰ দেশ।

অ' মোৰ সুৰীয়া মাত
অসমৰ সুৱদি মাত
পৃথিবীৰ ক'তো
বিচাৰি জনমতো
নোপোৱা কৰিলেও পাত।

অ' মোৰ ওপজা ঠাই
অ' মোৰ অসমী আই
চাই লওঁ এবাৰ
মুখনি তোমাৰ
হেঁপাহ মোৰ পলোৱা নাই।
০০০

গীতিকাৰ : সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা
এই গীতৰ স্বৰলিপি শ্ৰীইন্দ্ৰেশ্বৰ শৰ্মাৰ।
(অসম সাহিত্য সভাৰ পতাকা উত্তোলনৰ সময়ত গাব)
========================